প্ৰেছ বিজ্ঞপ্তি

ভাৰতীয় ৰিজার্ভ বেংক
ৱেবসাইট্:www.rbi.org.in/hindi
ই-মৈল email: helpdoc@rbi.org.in

সম্প্ৰচাৰ বিভাগ, কেন্দ্ৰীয় কার্যালয়, এস্. বি.এস পথ ; মুম্বাই-৪০০০০১
ফোন্: ৯১-২২৬৬০৫০২; ফেক্স :৯১-২২-২২৬৬০৩৫৮

২৮ আগষ্ট,২০১৫

## ভাৰতীয় ৰিজার্ভ বেংক মুদ্ৰা সংগ্ৰহালয়ৰ মহীশুৰ মুদ্ৰাৰ বিশেষ প্ৰদৰ্শনী

২০ আগষ্ট ,২০১৫ তাৰিখে ৰিজার্ভ বেংক মুদ্ৰা সংগ্ৰহালয়ে মহীশুৰ মুদ্ৰাৰ এক বিশেষ প্ৰদৰ্শনী উদ্বোধন কৰে ।কাৰ্য্যবাহী নিদেশক ডঃ দিপালী পন্ত যোশীয়ে এই বিশেষ প্ৰদৰ্শনী উদ্বোধন কৰে । মহীশুৰ মুদ্ৰাৰ ওপৰত যুগোতোৰা ২০ পৃষ্ঠা যুক্ত তথ্যসমৃদ্ধ পুস্তিকা এখনও এই প্ৰদৰ্শনীতে উন্মোচিত হয় । কাৰ্য্যবাহী নিদেশক ইউ.এস্.পালিৱাল,ভাৰতীয় ৰিজার্ভ বেংকৰ কেন্দ্ৰীয় নিদেশকমন্ডলীৰ মুখ্য নিদেশক প্ৰফেচাৰ দামোদৰ আচাৰ্য্য আৰু মুম্বাই কার্যালয়ৰ মুখ্য নিদেশক শ্ৰীএস্. ৰামস্বামীও উপস্থিত থাকে।




ভাৰতীয় ৰিজার্ভ বেংক মুদ্ৰা সংগ্ৰহালয়ৰ মহীশুৰ মুদ্ৰাৰ বিশেষ প্ৰদৰ্শনী

এই প্ৰদৰ্শনীত দেখুওৱা মহীশুৰৰ ১১২ বিধ মুদ্ৰা (১৩ বিধ সোনৰ , ৬ বিধ ৰূপৰ আৰু ৯৩ বিধ তামৰ) যিবোৰ মহীশুৰৰ বুৰন্জীৰ খৃষ্টাব্দ ১৫৬৫ ত হোৱা টালিকোটা যুদ্ধৰ

পিছৰপৰা প্ৰায় চাৰিশ বছৰলৈ প্ৰচলিত আছিল। মহীশূৰৰ উদিয়াৰসকল্, হাইদৰ আলি আৰু টিপু চুলতানৰ সময়ত প্ৰচলিত মুদ্ৰাসমুহে এই প্ৰদৰ্শনীত অধিক গুৰুত্ব লাভ কৰে । মহীশুৰৰ শাসক সকলৰ সময়ত বহুসংখ্যক সোনৰ মুদ্ৰা পোৱা গৈছিল । কান্তিৰাভা নৰচাৰায়া সৰ্বপ্ৰথম ৰজা আছিল যিয়ে যথাক্ৰমে ০.৩৫ গ্ৰাম ওজনৰ কান্তিৰাভা বৰহা আৰু ১.৭ গ্ৰাম ওজনৰ অৰ্ধ বৰহা য়'ত এফালে লক্ষ্মী নৰসিংহৰ আৰু আন ফালে তিনিশাৰীৰ নগৰীবাহিনী আৰু নিজৰনাম থকা মুদ্ৰা তৈয়াৰ কৰিছিল । তেওঁ এফালে নিজৰনাম থকা আৰু আনফালে নৰসিংহ থকা মুদ্ৰাও প্ৰচলন কৰিছিল ।পিচত দিৱান পূৰ্ণিয়াই ৰজা কৃষ্ণৰাজা তৃতীয় (খৃষ্টাব্দ ১৭৯৯-১৮৩২)ৰ সময়ত গিড্ডা কান্তিৰাভা পানাম (গিড্ডা মানে ডাঠ)মুদ্ৰা পুনৰ প্ৰচলন কৰে। এই ধাৰাটি হাইদৰ আলি আৰু টিপু চুলতানৰ সময়লৈ প্ৰচলিত আছিল।

এই বিষয়ে অধিক জানিবলৈ আৰু চাবলৈ হলে ৰিজাৰ্ভ বেংক মুদ্ৰা সংগ্ৰহালয়ৰ তলত দিয়া ঠিকনাত যোগাযোগ কৰিব পাৰে: অমৰ বিল্ডিং (১ম মহলা)

চাৰ পি.এম্.পথ

ফোৰ্ট, মুম্বাই-৪০০০০১

সময় : ১০:৪৫ বজাৰ পৰা ১৫:১৫(মংগলবাৰৰ পৰা দেওবাৰ্)

সোমবাৰ আৰু বেংকৰ আনবোৰ বন্ধৰ দিনত সংগ্ৰহালয় বন্ধ থাকিব।

**প্ৰেছ বিজ্ঞপ্তি : ২০১৫-১৬ / ৫১৯**

**আল্পনা কিল্লাৱালা**
**প্ৰধান মুখ্য মহাপ্ৰবন্ধক**